**22E—MASS**

# 2022

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**ALLOTMENT OF MARKS**

| | |
|---|---|
| Q. No. **1** carries *1* mark | 1×8 = 8 |
| Q. No. **2** carries *2* marks | 2×5 = 10 |
| Q. No. **3** carries *4* marks | 4×4 = 16 |
| Q. No. **4** carries *6* marks | = 6 |
| Q. No. **5** carries *2* marks | = 2 |
| Q. No. **6** carries *1* mark | = 1 |
| Q. No. **7** carries *4* marks | = 4 |
| Q. No. **8** carries *1* mark | 1×3 = 3 |
| Q. No. **9** carries *2* marks | 2×4 = 8 |
| Q. No. **10** carries *4* marks | 4×2 = 8 |
| Q. No. **11** carries *6* marks | = 6 |
| Q. No. **12** carries *1* mark | 1×4 = 4 |
| Q. No. **13** carries *6* marks | = 6 |
| Q. No. **14** carries *4* marks | 4×2 = 8 |
| Q. No. **15** carries *4* marks | = 4 |
| Q. No. **16** carries *1* mark | 1×2 = 2 |
| Q. No. **17** carries *1* mark | 1×2 = 2 |
| Q. No. **18** carries *2* marks | = 2 |
| | Total = 100 |

১। তলৰ যি কোনো আঠোটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ১×৮=৮

(ক) 'ধনৰ ব্যৱহাৰ' শীৰ্ষক পাঠটি সত্যনাথ বৰাৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(খ) 'পকীকুঠী'ৰ গৰাকী কোন?

(গ) 'তেজপুৰৰ আগৰণুৱা দেশহিতৈষী অসমীয়া নেতা' বুলি তৰুণৰাম ফুকনে কাক গান্ধীজীৰ আগত পৰিচয় কৰাই দিছিল?

(ঘ) কিহৰ পৰা ওপজা গৌৰৱ অকৃত্ৰিম বুলি লেখকে কৈছে?

(ঙ) গুৰুৰ স্থান আজিৰ যুগত কিহে কাঢ়ি লৈছে?

(চ) মানুহৰ সহৃদয়, শ্ৰেষ্ঠতম বন্ধু কোন?

(ছ) 'পেৰাডাইজ লষ্ট' গ্ৰন্থৰ ৰচয়িতাগৰাকীৰ নাম লিখাঁ।

(জ) পিয়েৰ আবে'লাৰ কোন?

(ঝ) ভাৰতবৰ্ষৰ এখন প্ৰাচীন বিশ্ববিদ্যালয়ৰ নাম লিখাঁ।

(ঞ) 'বাঘঢকা' শব্দৰ অৰ্থ লিখাঁ।

(ট) সাফল্যৰ শিখৰ আৰোহণ কৰিবলৈ হ'লে কি সপোন দেখিব লাগিব?

২। তলৰ যি কোনো পাঁচোটা প্ৰশ্নৰ উত্তৰ কৰিবাঁ : ২×৫=১০

(ক) ধনৰ দুই প্ৰকাৰৰ ব্যৱহাৰ কি কি?

(খ) পদ্মনাথ গোহাঞিবৰুৱাৰ কৰ্মৰাজিত সন্তুষ্ট হৈ কোনে, কি খিতাপেৰে তেওঁক বিভূষিত কৰিছিল?

(গ) ডাণ্টে কোন? তেওঁ লিখা বিখ্যাত কাব্যগ্ৰন্থখনৰ নাম কি?

(ঘ) হেলেন কেলাৰৰ আত্মজীৱনীত থকা কি কথাই মানুহক কিতাপ অধ্যয়নৰ বাবে অনুপ্ৰাণিত কৰিছিল?

(ঙ) গিবনৰ সম্পূৰ্ণ নাম কি? তেওঁ কোন দেশৰ নাগৰিক আছিল?

(চ) কে'ম্ব্ৰিজ বিশ্ববিদ্যালয় মুঠ কেইখন বিশ্ববিদ্যালয়ৰ সমষ্টি? তাৰে এখন কলেজৰ নাম লিখাঁ।





(ছ) ভাৰতৰ চাৰিবিধ জনপ্ৰিয় খেলৰ নাম লিখাঁ।

(জ) নেপালীসকলে 'সাগৰ মাথা' বুলি কাক কৈছিল? 'সাগৰ মাথা'ৰ জীয়ৰী বুলি কোনটো শিখৰ জনাজাত?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৪×৪=১৬

(ক) ''আয় অনুসৰি খৰচ কৰাই অৰ্থ ব্যৱহাৰৰ মূল মন্ত্ৰ''—পাঠৰ আধাৰত ব্যাখ্যা কৰাঁ।

(খ) ''মেঘৰ কাম মেঘে কৰি আছে, আমাৰ কাম আমি কৰোঁগৈ।'' কোনে, কি প্ৰসংগত, কিয় এইদৰে কৈছিল, লিখাঁ।

(গ) ''বিজেতাই মানুহকহে পৰাস্ত কৰে, মানুহৰ মনক পৰাস্ত কৰিব নোৱাৰে।'' প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ।

(ঘ) ''কিছুমান কিতাপে বাইজৰ ওপৰত অদ্ভুত প্ৰভাৱ পেলায়।'' পাঠটোৰ সহায়ত বুজাই লিখাঁ।

(ঙ) এডৱাৰ্ড গিবনে ক'ত, কিদৰে শিক্ষা গ্ৰহণ কৰিছিল, বুজাই লিখাঁ।

(চ) পুৰণি অসমত বিহুৰ সময়ত কেনেধৰণৰ খেল-ধেমালি অনুষ্ঠিত হৈছিল?

৪। তলৰ যি কোনো এটাৰ বিষয়ে চমুকৈ লিখাঁ : ৬

(ক) 'ধনৰ ব্যৱহাৰ' শীৰ্ষক প্ৰবন্ধৰ পাঠবোধ

(খ) মানুহৰ গৌৰৱৰ কাৰণ আৰু উৎপত্তি

(গ) অসমৰ প্ৰথমটো ক্ৰীড়া পেভিলিয়ন

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ২

(ক) ''আমি দুয়ো লগ লাগি হিচাপ কৰি চালোঁ : ...''—'আমি দুয়ো' বুলি গল্পকাৰে কাৰ কাৰ কথা কৈছে?

(খ) কনকেশ্বৰ ঠাকুৰে তেওঁৰ কন্যাৰ অপাৰেচন কৰাবলৈ ক'ৰ পৰা পইচা পালে?



[ Contd.

৬। 'বিয়াৰ প্ৰেজেন্ট' শীৰ্ষক গল্পটোত থকা অসুখ হোৱা ছোৱালীজনীৰ নাম কি? ১

৭। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৪

(ক) 'বিয়াৰ প্ৰেজেন্ট' গল্পটোত সমান্তৰালভাৱে সৃষ্টি হোৱা দুটা পৰিস্থিতি কি কি?

(খ) "কিবা উপায় কৰি আৰু টকা পঞ্চাছটামান দি থৈ আহিব লাগিব—ক'ৰবাৰ পৰা যোগাৰ কৰিব পাৰেনে চাওকচোন।" কোনে, কি প্ৰসংগত, কাক এইদৰে কৈছিল, চমুকৈ লিখাঁ।

৮। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ১×৩=৩

(ক) 'অপ্ৰমাদী' বা 'ভ্ৰান্তিহীন কবি' কোন?

(খ) 'জয় জয় যাদৱ জলনিধিজা ...' বৰগীতটিৰ ৰাগ কি?

(গ) দেৱকান্ত বৰুৱাৰ কবিতাত উল্লেখ থকা ইব্ৰাহিম কোন?

(ঘ) 'নচিকেতা' কাৰ ছদ্মনাম?

(ঙ) চেলা গিৰিপথ ক'ত আছে?

৯। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×৪=৮

(ক) বিভীষণৰ দুটা চাৰিত্ৰিক বৈশিষ্ট্য লিখাঁ।

(খ) বৰগীতৰ দুটা বিশেষত্ব লিখাঁ।

(গ) ধনবৰ আৰু ৰতনীৰ ঘৰ ক'ত আছিল?

(ঘ) অসমীয়া ৰোমাণ্টিক কবিসকলে তেওঁলোকৰ কবিতাৰ সমল ক'ৰ পৰা গ্ৰহণ কৰিছিল?





(ঙ) দেশ জননীৰ পূজাৰ কেনে আয়োজন দেখি 'মুক্তি পলাল' বুলি কবিয়ে কৈছে?

(চ) 'এখন চিঠি' কবিতাৰ সৈনিকজনে চিঠিখন সেইদিনাই ডাকত দিব নোৱৰাৰ কাৰণ কি আছিল?

১০। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ (যি কোনো দুছোৱা) : ৪×২=৮

(ক) "একেশ্বৰে মন্ত্ৰী যেবে কৰয় নিশ্চয়।
উত্তম বুলিয়া তাক কহে শাস্ত্ৰ নয়॥"

(খ) "চৰায়ে তুলিলে ঐ হ'ৰা পোৱালি,
গছৰ ডাল গুৱনি কৰি।
ৰতনীক তুলিলে মাকে-বাপেকে,
ধনাইৰ কালশতক কৰি।"

(গ) "স্বদেশ প্ৰেমৰ কোবাল সোঁতত দেশ আজি টলমল,
স্বদেশৰ গছ, স্বদেশৰ শিল, স্বদেশৰ বাঁহতল,
সকলোতে আজি স্বদেশী কবিৰ কবি-অন্তৰ জাগে,
দেশৰ মানুহ নেখাই মৰিছে সন্ধান কোনে ৰাখে?"

(ঘ) "আৰু তাৰ তলতেই ফুটপাথত
(ধন্য তোমাৰ দয়া!)
শূন্য ভিক্ষা পাত্ৰ লৈ শুই পৰা
মৃতপ্ৰায় কংকালৰ শাৰী;"

১১। তলৰ যি কোনো এটা কবিতাৰ মূল ভাব লিখাঁ : ৬

(ক) ধনবৰ আৰু ৰতনী

(খ) বনকুঁৱৰী

(গ) ৰাজপথ

১২। চমু উত্তৰ লিখাঁ (যি কোনো চাৰিটা) : ১×৪=৪

(ক) কণপাহি কোন?

(খ) কুশল কোঁৱৰ কাৰ আজো-নাতি আছিল?

(গ) 'কুশল কোঁৱৰ' নাটকৰ ২নং দৰ্শনত কোন চনৰ কথা বৰ্ণিত হৈছে?

(ঘ) "এই বৃটিছ কুকুৰটোক বাগিচাৰ পৰা বাহিৰ কৰি দে।" সংলাপটি কাক উদ্দেশ্যি কোৱা হৈছে?

(ঙ) কুশল কোঁৱৰে কোন চনত বাগিচাৰ চাকৰিত ইস্তফা দি ঘৰলৈ উলটিছিল?

(চ) কোন চনত নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে মহাত্মা গান্ধীৰ 'ভাৰত ত্যাগ' গ্ৰহণ কৰে?

১৩। (ক) 'কুশল কোঁৱৰ' নাটকখনৰ 'সূচনা' দৰ্শনটিৰ মূল কথাখিনি যুকিয়াই লিখাঁ। ৬

*অথবা*

(খ) স্বাধীনতা সংগ্ৰামী বৈকুণ্ঠ বিহাৰী সিং আৰু শংকৰ বৰুৱাৰ বিষয়ে চমুকৈ লিখাঁ।

১৪। উত্তৰ লিখাঁ (যি কোনো দুটা) : ৪×২=৮

(ক) "মোক তই চিনা নাই, ৰাস্কেল। মই এন. চি. বৰা।" কোনে, কাক, কি প্ৰসংগত এইদৰে কৈছিল, লিখাঁ।

(খ) কুশল কোঁৱৰে পণ্ডিতজীলৈ লিখা চিঠিখনৰ মৰ্মাৰ্থ কি আছিল? চিঠিখনৰ সিপিঠিত কি কি বস্তুৰ তালিকা সংযোগ কৰা হৈছিল?

(গ) গাঁওবুঢ়া চৰিত্ৰটিৰ কুটিলতা 'কুশল কোঁৱৰ' নাটকখনিত কেনেদৰে প্ৰকাশ পাইছে, চমুকৈ লিখাঁ।

(ঘ) 'কুশল কোঁৱৰ' নাটকৰ ৰচয়িতাগৰাকীৰ চমু পৰিচয় আগবঢ়োৱাঁ।





১৫। ভাব-সম্প্ৰসাৰণ কৰাঁ (যি কোনো এটা) : ৪

(ক) কথাত কটা যায়, কথাত বঁটা পায়।

(খ) অতি ভক্তি চোৰৰ লক্ষণ।

১৬। তলৰ যি কোনো দুযোৰা সমোচ্চাৰিত শব্দৰ অৰ্থৰ পাৰ্থক্য বিচাৰ কৰাঁ : ১×২=২

খাত, খাট ; পুথি, পুঠি ; বলি, বলী ; দীপ, দ্বীপ ; দিন, দীন ; গিৰি, গিৰী।

১৭। চমু উত্তৰ লিখাঁ : ১×২=২

(ক) অসমীয়া তদ্ভৱ শব্দত ব্যৱহৃত চন্দ্ৰবিন্দু প্ৰকৃততে সংস্কৃত শব্দত থকা কোনকেইটা নাসিক্য ধ্বনিৰ পৰিৱৰ্তিত ৰূপ?

(খ) অসমীয়া ভাষাত অ' স্বৰ বুজাবলৈ পৃথক আখৰ নাই। কথাষাৰ শুদ্ধ নে অশুদ্ধ?

১৮। অসমীয়া ভাষাত ৱ নাইবা য়-ৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখাঁ। ২

***